**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে দাখিল কৰা বাজেটক শাসকীয় পক্ষৰ আদৰণি, বিৰোধীৰ প্ৰতিক্ৰিয়া।

২। মহাকাশত অসমৰ বাবে নিজাকৈ কৃত্ৰিম উপগ্ৰহ স্থাপন কৰিবলৈ বাজেটত সিদ্ধান্ত।

৩। কাছাৰ আৰক্ষী আৰু মাদকদ্ৰব্য বিৰোধী বিভাগৰ কাছাৰত বৃহৎ পৰিমাণৰ মাদকদ্ৰব্য জব্দ।

৪। সমাগত দৌল উৎসৱৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন। ফাকুৱাৰ সময়ত যাত্ৰীৰ সুবিধাৰ্থে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বিশেষ ৰে'লৰ চলাচল।

**আৰু**

৫। ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাৰ ফাইনেলত প্ৰৱেশ।

ooooo

অসম বিধানসভাত কালি দাখিল হোৱা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটক লৈ শাসক-বিৰোধীৰ মিশ্ৰিত প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে। শাসনধিস্থিত বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদে বাজেটখনক জনমুখী আখ্যা দিছে। বাজেটখনে জনসাধাৰণৰ জীৱন যাত্ৰা সহজ কৰি ৰাজ্যখনৰ উন্নয়নক নতুন গতি দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি এখন সংবাদমেল সম্বোধন কৰি কয়, যে ২০১৫ চনৰ পৰা ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ তুলনাত বৃদ্ধি পাইছে। দাখিল কৰা বাজেট অনুসৰি অসম কম পৰিমাণে ঋণ গ্ৰহণ কৰা দেশৰ ৫ খন ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে এখন জনমুখী বাজেট উত্থাপন কৰাৰ বাবে বিত্তমন্ত্ৰীগৰাকীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মিত্ৰ দল অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই এই বাজেট সন্দৰ্ভত এইদৰে কয়–

***(বাইট ঃ অতুল বৰা)***

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এইবাৰৰ বাজেটখন আশানুৰূপ হোৱা নাই বুলি মত প্ৰকাশ কৰে। তেওঁ বাজেটখন জনমুখী নে নিৰ্বাচনমুখী বুলিও প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে হিতাধিকাৰীৰ সৃষ্টিত গুৰুত্ব দিয়াক লৈ অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰীশইকীয়াই পূৰ্বৰ বাজেটৰ বহু প্ৰতিশ্ৰুতি এতিয়াও পূৰণ হোৱা নাই বুলি অভিযোগ তোলে।

*(বাইট ঃ দেৱব্ৰত শইকীয়াই)*

ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে এই বাজেটখনক নিৰ্বাচনমুখী বাজেট বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ হ্ৰাস পোৱা বুলি অভিযোগ কৰে।

উল্লেখযোগ্য যে, অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে কালি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে এক লাখ ৫৫ হাজাৰ ৪২৮ কোটি ৭৫ লাখ টকাৰ সাধাৰণ বাজেট উত্থাপন কৰে। ৬২০ কোটি ২৭ লাখ টকাৰ ঘাটি বাজেটখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ দিয়া হৈছে। একেদৰে ২০২৪-২৫ বৰ্ষৰ ৬ মাৰ্চ পৰ্যন্ত প্ৰকৃত ব্যয়ৰ ওপৰত কৰা পূৰ্বানুমান অনুসৰি বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বিধৱা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যাও পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰদান কৰি অহা ধন মাহে এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

এইবাৰৰ বাজেটত ৰেচন কাৰ্ডৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াললৈ মাহে ১ কিলোগ্ৰামকৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ঋণৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিখন অহা ১ এপ্ৰিলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মুকলি কৰিব। নিযুত মইনা আঁচনিৰ জৰিয়তে উপকৃত হ'বলগীয়া ছাত্ৰীৰ সংখ্যা ৪ লাখ ২০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে। তদুপৰি মহাকাশত অসমে নিজাকৈ কৃত্ৰিম উপগ্ৰহ স্থাপনৰ বাবে বাজেটত লোৱা প্ৰস্তাৱ সন্দৰ্ভত কালি বিত্ত মন্ত্ৰীয়ে সদৰি কৰে। ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ উদগনি আৰু কৰ্তৃত্ব প্ৰদান কেন্দ্ৰৰ সহযোগত আৰ্থ-সামাজিক প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য আৰু অবিৰত তথ্যৰ সৰবৰাহ নিশ্চিত কৰাৰ বাবে অসমে আছাম ছেট নামত এই কৃত্ৰিম উপগ্ৰহ সংস্থাপন কৰিবলৈ বিচাৰিছে। বাজেট ভাষণৰ পাছত বিত্তমন্ত্ৰীগৰাকীৰ সৈতে এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে-

*(বাইট ঃ ড০ হিমন্ত বিশ্ব শৰ্মা)*

অসমীয়া চলচ্চিত্ৰ, সাহিত্য, লোকসংগীত আৰু তথ্যচিত্ৰকে ধৰি বিভিন্ন সমল সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে নিজাকৈ ও টি টি প্লেটফৰ্ম মুকলি কৰিব বুলি বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণত প্ৰকাশ কৰে।

কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ ৬২০ কোটি ২৭ লাখ টকাৰ ঘাটি বাজেটখন বিধানসভাত দাখিল কৰি শ্ৰীমতী নেওগে কয়, যে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯ শতাংশ আৰু জনমুৰি আয় ১৮ শতাংশলৈ বৃদ্ধি পাইছে।

১০৯ পৃষ্ঠাৰ এই বাজেটখনেই হৈছে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত এই বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০

অসম চৰকাৰে সৃষ্টিশীল বিজ্ঞানসন্মত আৰু শৈক্ষিক বিষয়ৰ লেখাৰে বৰঙণি আগবঢ়োৱা ৰাজ্যখনৰ এহেজাৰ গৰাকী যুৱ লেখকলৈ ২৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াব। কালি বিত্তমন্ত্ৰী অজন্তা নেওগে বাজেট ভাষণত এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে চলিত বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰিছে। এই অনুসৰি সাহিত্য চৰ্চা আৰু গ্ৰন্থ সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি অসম প্ৰকাশন পৰিষদৰ অনুমোদন মৰ্মে গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ জিলা সদৰৰ বাবে ৫ লাখ টকাকৈ আৰু সমজিলা সদৰৰ বাবে আঢ়ৈ লাখ টকাকৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ বাবে বাজেটত প্ৰস্তাৱ দিয়া হৈছে।

০০০০০০

ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক যোৱা ২০ ফেব্ৰুৱাৰীত চামগুৰিত আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কালি অসম বিধানসভাত ৰাজ্যৰ গৃহ বিভাগে এই তথ্য প্ৰকাশ কৰে। এই ঘটনাত ২২ জন অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। সাংসদগৰাকীক আক্ৰমণৰ ঘটনা সন্দৰ্ভত ৰূপহীহাট থানাত তিনিটা গোচৰ ৰুজু কৰা হৈছিল।

০০০০০০

কাছাৰ আৰক্ষী আৰু মাদকদ্ৰব্য বিৰোধী বিভাগে অভিযান চলাই যোৱানিশা ৯৮ হাজাৰ নিচাযুক্ত টেবলেটৰ লগতে নগদ ৩ লাখ ৫০ হাজাৰ টকা জব্দ কৰে। জব্দ কৰা নিচাজাতীয় টেবলেটখিনিৰ মূল্য ৩০ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। কাছাৰৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত চন্দ্ৰপুৰ দ্বিতীয় খণ্ডৰ কাকমাৰা অঞ্চলত আৰক্ষীয়ে অভিযান চলাই এই বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰাৰ লগতে এনে সামগ্ৰী সৰবৰাহকাৰীকো আটক কৰিবলৈ সমৰ্থ হয়।

বিশ্বনাথ জিলাৰ লেহুগাঁৱতো যোৱানিশা বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰা হয়।

০০০০০০

শ্ৰীভূমি জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই চাৰিজন বাংলাদেশী নাগৰিকক আটক কৰি পুনৰ বাংলাদেশলৈ ওভোটাই পঠায়। আটক কৰা বাংলাদেশী কেইজন - আব্দুল কবিৰ, বধিউৰ ৰহমান, মহম্মদ তয়ুব আৰু আব্দুল কালাম বুলি জানিব পৰা গৈছে।

০০০০০০

সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰত পৰহিলৈৰ পৰা চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। পৰহিলৈ গোন্ধ যাত্ৰা, ১৪ আৰু ১৫ মাৰ্চত ভৰ দৌল আৰু ১৬ মাৰ্চত সত্ৰ চৌহদত সুঁৱেৰি বা ফাকুৱা উদযাপন কৰা হ'ব। উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত পৰহিলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। পৰহিলৈ সন্ধিয়া ব্ৰহ্মপুত্ৰৰ পাৰত মেষদাহ পৰ্বৰে উৎসৱৰ আৰম্ভণি হ'ব। ১৪ মাৰ্চত মহাপূজা, ১৫ আৰু ১৬ মাৰ্চত পৰম্পৰাগত পূজা-অৰ্চনৰ পাছত ১৭ মাৰ্চত শোভাযাত্ৰা কৰি গোসাঁইক দিহিং সত্ৰলৈ লৈ গৈ বৈদিক নিয়মেৰে পূজা কৰা হ'ব।

ইয়াৰ পাছত ব্ৰহ্মপুত্ৰত স্নান কৰোৱাই গোসাঁইক পুনৰ থাপনাত স্থাপন কৰা হ'ব। গুৱাহাটীৰ পূব শৰণীয়াৰ শ্ৰীমন্ত নামঘৰৰ কলাকৃষ্টি কেন্দ্ৰত তিনি দিনীয়া কাৰ্যসূচীৰে পৰহিলৈৰ পৰা দৌল উৎসৱ উদযাপন কৰা হ'ব। একেদৰে আজাৰাৰ সমীপৰ গড়লতো তিনি দিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। ৰঙিয়াৰ পিতাম্বৰ হাটবজালী গাঁৱৰ কুমাৰপাৰা বৰ নামঘৰ প্ৰাংগণত পৰহিলৈৰ পৰা ৪ দিনীয়াকৈ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ধৰ্ম ধবজা উত্তোলন, চাফাই অভিযান, টোপধবনি, নাম-প্ৰসংগকে ধৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

সমাগত হোলী আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ সময়ত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে মুঠ ৩০টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচল কৰোৱাব। ইতিমধ্যে নাৰেংগী-গোৰখপুৰ জংছন-নাৰেংগী, কাটিহাৰ-অমৃতসৰ-কাটিহাৰ, কামাখ্যা-আনন্দ বিহাৰ টাৰ্মিনেল হৈ কামাখ্যা অভিমুখী ৰে'লৰ লগতে মুঠ ২৬ টা যাত্ৰাৰ বাবে বিশেষ ৰে'লৰ চলাচলৰ বিষয়ে ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ডিব্ৰুগড়ৰ পৰা জয়নগৰ হৈ পুনৰ ডিব্ৰুগড়ত উপস্থিত হ'বলগীয়া আৰু ডিব্ৰুগড়ৰ পৰা গোৰখপুৰলৈ যাত্ৰা কৰি পুনৰ ডিব্ৰুগড়লৈ চাৰিটা যাত্ৰাৰ বাবে ৰে'ল চলাচল কৰোৱা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

চিৰাং জিলাৰ পাণবাৰী থানাত কৰ্মৰত দুজন আৰক্ষী বিষয়াৰ বিৰুদ্ধে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। পাণবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিপুল বিশ্বাসক ৰিজাৰ্ভ ক্লজ কৰাৰ লগতে উপ-পৰিদৰ্শক শ্যামল বড়োক পাণবাৰী থানাৰ পৰা শাস্তিমূলকভাৱে বদলি কৰা হৈছে। উল্লেখযোগ্য যে আৰক্ষী বিষয়া দুজনৰ বিৰুদ্ধে উৎকোচ লৈ গোচৰ ৰুজু নকৰাৰ অভিযোগ উত্থাপন হোৱাত শীৰ্ষ আৰক্ষী বিষয়াই ঘটনা সন্দৰ্ভত তদন্ত কৰি এই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

## N P REVIEW/RNU (11-03-2025, Morn.)

পৰিয়াল পৰিচয় পত্ৰ, অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি, মহিলা আত্মসহায়ক গোটসমূহক সাহায্য প্ৰদান, চাহ শ্ৰমিক পৰিয়াললৈ বিত্তীয় সাহায্য, নামঘৰ আৰু অন্যান্য ধৰ্মীয় অনুষ্ঠানলৈ সাহায্য, বিদ্যুৎ মাচুল হ্ৰাস, গাঁওবুঢ়াৰ পাৰিতোষিক বৃদ্ধি, জাগীৰোড আৰু পলাশবাৰী টাউনশ্বিপৰ বাবে ৮ হাজাৰ কোটি টকা নিৰ্ধাৰণ, শস্য নষ্টৰ ক্ষতিপূৰণ বৃদ্ধি, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, আবিলেক আৰু মধুপুৰ সত্ৰলৈ আৰ্থিক অনুদান, বি টি চি পৰিষদ আৰু বৰাক উপত্যকালৈ বিত্তীয় সাহায্য প্ৰদান, কাঁহ পিতল শিল্পলৈ জি এছ টি ৰেহাই আদি ঘোষণাৰে বিত্তমন্ত্ৰী অজন্তা নেওগে কালি বিধানসভাত অন্তিমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰে। বাজেট সন্দৰ্ভত বিভিন্ন দৃষ্টিকোণেৰে বিশ্লেষণ আগবঢ়াই আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতে বিভিন্ন শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

বাংলাদেশীৰ চাল-চলন, বানৰ আগজাননী পাবলৈ অসমে নিজাকৈ মহাকাশত উপগ্ৰহ স্থাপন কৰিব। এই উপগ্ৰহৰ জৰিয়তে পোৱা বতৰৰ আগলি বতৰা যোগে কৃষকসকলে কৃষি ক্ষেত্ৰৰ বাবে ৩ মাহ আগতে প্ৰস্তুতি

চলাব পাৰিব। কালি দাখিল কৰা অসম বাজেটক দূৰদৰ্শী দৃষ্টিভংগীৰ প্ৰতিফলন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যখনত ৪০০ৰ পৰা ৫০০ খন প্ৰাথমিক বিদ্যালয় শিক্ষকবিহীনভাৱে চলি আছে। এই মন্তব্য অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীৰ। চলিত বাজেট অধিৱেশনত শিক্ষামন্ত্ৰীয়ে ৰাজ্যত শিক্ষকবিহীনভাৱে চলি থকা বিদ্যালয়ৰ ভুল তথ্য দাঙি ধৰা বুলিও প্ৰধান সম্পাদকগৰাকীয়ে অভিযোগ কৰিছে। এই সন্দৰ্ভত **দৈনিক অসম** কাকতে 'ৰাজ্যত এতিয়াও চাৰি শতাধিক শিক্ষকবিহীন বিদ্যালয়' শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

হাতী-মানুহৰ সংঘাত নিৰাময়ৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ভ্ৰমণৰ বাবে ব্যৱহাৰ কৰা পুৰণি জীপচী গাড়ীবোৰ আঁতৰাই নতুন বাহন ব্যৱহাৰ কৰা হ'ব। একেদৰে হলৌ আৰু সোণালী বান্দৰৰ সংৰক্ষণৰ বাবে বিজ্ঞানসন্মত পদক্ষেপ ল'ব। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ।

ৰাজ্যত ভূমি ক্ৰয়-বিক্ৰয় সন্দৰ্ভত অহা ছেপ্তেম্বৰৰ পৰা নতুন নিয়ম প্ৰযোজ্য হ'ব। অসমৰ ৰাজহ খণ্ডত কেৱল খিলঞ্জীয়া লোকে ভূমি ক্ৰয়-বিক্ৰয় কৰিব পাৰিব। ইয়াৰ বাবে ইণ্টাৰ ৰিলিজিয়ান লেণ্ড ট্ৰান্সফাৰ বিধেয়ক অনা হ'ব আৰু এই বিধেয়ক আইনত পৰিণত হ'লে মুখ্যমন্ত্ৰীৰ কাৰ্যালয় বা অসম চৰকাৰে অনুমতি দিলেহে কোনো হিন্দু লোকে মুছলমানৰ ওচৰত মাটি বিক্ৰী কৰিব পাৰিব। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

১ লাখ নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি সফলভাৱে সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰে মুঠ ৫৪ টা বিভাগত ১ লাখ ১৯ হাজাৰ ৮৯৯ গৰাকী প্ৰাৰ্থীক চাকৰি দিবলৈ সমৰ্থ হৈছে। নতুনকৈ ৪০ হাজাৰ ৬৯৭ টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত ২০২৫ চনৰ অক্টোবৰত প্ৰতিজন বাছনিকৃত প্ৰাৰ্থীৰ নামসহ বিস্তাৰিত ৰূপত এখন পুস্তিকা প্ৰকাশ কৰা হ'ব বুলি বিত্তমন্ত্ৰী অজন্তা নেওগে কালি দাখিল কৰা বাজেটত উল্লেখ আছে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

ডিব্ৰুগড়ৰ ৰমাই চাহ বাগিচাৰ ১ নম্বৰ ৰাজগড়ত ডাইনী সন্দেহত এগৰাকী মহিলাক শাৰীৰিক নিৰ্যাতন চলাই বুঢ়ীদিহিং নৈত উটুৱাই দিয়ে। অৱশ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মহিলাগৰাকীক উদ্ধাৰ কৰি অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে কেইবাজনো লোকক আটক কৰে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতৰ লগতে আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

অসমৰ প্ৰখ্যাত চুফী সন্ত আজানপীৰে ৰচনা কৰা জিকিৰ আৰু জাৰীসমূহ ৰাজ্যৰ থলুৱা ভাষাসমূহলৈ অনুবাদ কৰা হ'ব। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই ইয়াৰ দায়িত্ব গ্ৰহণ কৰিব। কালি বাজেট ভাষণত অসম চুক্তিৰ ৬ নম্বৰ দফা বাস্তৱায়িত কৰা সন্দৰ্ভত বিত্তমন্ত্ৰী অজন্তা নেওগে এই কথা ঘোষণা কৰে। ৰাজ্যৰ ভূমি, ভাষা আৰু সংস্কৃতিক ৰক্ষা কৱচ প্ৰদানৰ বাবে চৰকাৰ দায়বদ্ধ বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে অসম চৰকাৰে অসমীয়া চলচ্চিত্ৰ, সাহিত্য, লোক-সংগীত, তথ্যচিত্ৰ আদি সংৰক্ষণৰ বাবে নিজাকৈ অ' টি টি প্লেটফৰ্ম মুকলি কৰিব বুলি কৰা এটা ঘোষণাৰে বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা জিলা ক্ৰীড়া সন্থাৰ সহযোগত গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰা ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত কালি জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত উত্তৰ-পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাই - গ্লোৰেল ফুটবল ক্লাৱক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। উত্তৰ-পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাৰ প্ৰাৱিক ঘিছিঙক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। দ্বিতীয়খন ছেমিফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ-শ্বিলং লাজং ফুটবল ক্লাৱৰ মুখামুখি হ'ব।

০০০০০০

গুৱাহাটী কাহিলীপাৰা লখিমী নগৰ নিবাসী অসম চৰকাৰৰ কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক মাণিক চন্দ্ৰ শৰ্মা বৰদলৈৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ধূলিময় হোৱাৰ সম্ভাৱনা আছে। নিশাৰ ভাগত বতাহ-বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

সমাপ্ত